অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : ১৯

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : RCC Bridge সম্পৰ্কে

বিধায়ক : শ্ৰী আফতাব উদ্দিন মোল্লা :

মাননীয় লোক নিৰ্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) জলেশ্বৰ সমষ্টিৰ মূল ৰাস্তাবোৰৰ মাজত অন্যতম গুৰুত্বপূৰ্ণ ৰাস্তা লক্ষীপুৰ, জলেশ্বৰ ৰোড, ৰাজমিতা তাৰাংগাপুৰ ৰোড আৰু হাসডোবা কলাবাৰী ৰোড কেইটাত তিনিটা RCC Bridge ৰ কাম 2023/24 চনৰ পৰাই চলি আছে, কিন্তু আজিলৈকে এটাকে Poll বা Pile ৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, Bridge কেইটাৰ allotment cancel কৰি re allotmentৰ ব্যৱস্থা কৰি দিয়া সম্ভৱ হ'ব নে? যদি হয় কেতিয়া হ'ব?

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) লক্ষীপুৰ-জলেশ্বৰ আৰু লক্ষীপুৰ-তাৰাংগাপুৰ ৰোডৰ ওপৰত দুখন RCC Bridge নিৰ্মাণৰ কাম Midas Construction ৰ নামত vide F.W.O. No CE/EAP/ARRBP/18/Goalpara/2023/33, dated 08/08/2024 ৰ দ্বাৰা কৰ্মাদেশ দিয়া হৈছিল । আকৌ, কেচৰাপাৰা-কলাবাৰী ৰাস্তাৰ ওপৰত নিৰ্মাণৰ কাম Midas Construction ৰ নামত vide F.WO. No: CE/EAP/ARRBP/66/Goalpara/2024/22, dated. 21/08/2024 ৰ দ্ধাৰা কৰ্মাদেশ দিয়া হৈছিল । তলৰ তালিকাত উল্লেখ কৰা ধৰণে কাম খিনি চলি আছে ।

| কামৰ বিৱৰণ | ভৌতিক অগ্ৰগতি | মন্তব্য |
|---|---|---|
| লক্ষীপুৰ-জলেশ্বৰ RCC Bridge No 1/1 | ১৮% | A1ৰ পিনে Well Curb সম্পূৰ্ণ হৈছে আৰু Well steining কাম চলি আছে। |
| লক্ষীপুৰ-তাৰাংগাপুৰ RCC Bridge No 1/1 (ৰাজমিতা তাৰাংগাপুৰ) | ১৪% | A2 আৰু P1ৰ Well Curb সম্পূৰ্ণ হৈছে আৰু Well steining কাম চলি আছে। |
| কেচৰাপাৰা-কলাবাৰী RCC Bridge 1/1 (হাসডোবা কলাবাৰী) | ১৮% | A1 P1 আৰু P2 ৰ Well Curb সম্পূৰ্ণ হৈছে আৰু Well steining কাম চলি আছে |

ওপৰত উল্লেখ কৰা তিনিও খন দলঙৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ৩০ মাহ ধাৰ্য্য কৰা হৈছে। সেইমৰ্মে ফেব্ৰুৱাৰী, ২০২৭ চন লৈকে কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য ৰখা হৈছে।

(খ) বৰ্তমান Re-allotment ৰ কোনো প্ৰশ্ন উদয় হোৱা নাই ।

(The Reply uploaded in the Portal)

---ooo---